# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৌশলগত, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে ফ্ৰান্স আৰু আমেৰিকালৈ ৰাওনা হ'ব।

২। **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বিভিন্ন শিক্ষাৰ্থীৰ সৈতে অভিজ্ঞতা বিনিময় কৰিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। ভাৰতীয় ৰে'লৱেই অতি শীঘ্ৰেই ৯৫ হাজাৰ খালী পদ পূৰণ কৰিব বুলি কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

*আৰু*

৫। ইংলেণ্ডৰ বিৰুদ্ধে অব্যাহত থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি কটকত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰত ৪ উইকেটত জয়ী হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৌশলগত, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে ফ্ৰান্স আৰু আমেৰিকালৈ ৰাওনা হ'ব। চাৰিদিনীয়া ভ্ৰমণ সূচীৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে ফ্ৰান্সৰ পেৰিছত কাইলৈ হ'বলগীয়া ২০২৫ বৰ্ষৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত সহ অধ্যক্ষতা কৰাৰ লগতে আন এখন গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। তদুপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে মাৰ্চেইলত ভাৰতৰ নতুন বাণিজ্যিক দূতাবাস মুকলি কৰিব। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত ফ্ৰান্সত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জীৱ কুমাৰ ছিংলাই কয়, যে সমগ্ৰ বিশ্বতে কৃত্ৰিম বুদ্ধিমত্তাক যাতে কেইগৰাকীমান ব্যক্তি অথবা কেইটামান প্ৰতিষ্ঠানে একচেতিয়া সম্পত্তি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখাই হৈছে ভাৰতৰ মূল লক্ষ্য। উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত যাতে অত্যাধুনিক তথ্যপ্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত ভিন্নতা নাহে তাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা সুৰক্ষিত আৰু বিশ্বাসযোগ্য হৈ থাকিব লাগিব বুলিও ছিংলাই উল্লেখ কৰে। সাক্ষাৎকাৰটোত ৰাষ্ট্ৰদূতগৰাকীয়ে উল্লেখ কৰা মতে ১২ ফেব্ৰুৱাৰীত মাৰ্চেইলত প্ৰধানমন্ত্ৰীগৰাকীয়ে বাণিজ্যিক দূতাবাস উদ্বোধন কৰাটো এক উল্লেখনীয় দিন হিচাপে পৰিগণিত হৈ ৰ'ব। ইয়াৰ জৰিয়তে ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপৰ অৰ্থনৈতিক দ্বাৰৰ এক শক্তিশালী ভেটি গঢ়ি উঠিব। উল্লেখযোগ্য যে ১২ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীগৰাকীয়ে তিনিদিনীয়া ফ্ৰান্সৰ ভ্ৰমণসূচী সামৰি আমেৰিকালৈ ৰাওনা

হ'ব। দুদিনীয়া ভ্ৰমণসূচীত শ্ৰীমোদীয়ে আমেৰিকাৰ সৈতে ভাৰতৰ বাণিজ্য, কৌশলগত সহযোগিতা আৰু প্ৰযুক্তি অংশীদাৰিত্বৰ বিষয়ক দিশবোৰত আলোচনা কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত দেশৰ বিভিন্ন শিক্ষাৰ্থীৰ সৈতে অভিজ্ঞতা বিনিময় কৰিব। শ্ৰীমোদীয়ে এই অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে পৰীক্ষাৰ প্ৰস্তুতি আৰু মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত কথা পাতিব। নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া **পৰীক্ষা পে চৰ্চা**ৰ এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, দেশৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাত উপস্থিত হ'ব। শ্ৰীমতী মুৰ্মুৱে গংগা, যমুনা আৰু সৰস্বতীৰ ত্ৰিবেণী সংগমত স্নান কৰাৰ লগতে পূজা আগবঢ়াব। তেওঁ প্ৰয়াগৰাজৰ অক্ষয়বৎ আৰু বড়ে হনুমান মন্দিৰো দৰ্শন কৰাৰ লগতে ডিজিটেল মহাকুম্ভ কেন্দ্ৰত আধুনিক প্ৰযুক্তিৰ আলমত মহাকুম্ভৰ সকলো দিশৰ বুজ ল'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ৰাষ্ট্ৰপতিক সংগ দিব।

ইপিনে, মহাকুম্ভ মেলাত দৰ্শনাৰ্থীৰ আগমণ অব্যাহত আছে। এতিয়ালৈ ৪৩ কোটিতকৈ অধিক ভক্তই এই অধ্যাত্মিক অনুষ্ঠানত ভাগ লৈছে। মকৰ সংক্ৰান্তি, মৌনী অম্যাৰস্যা আৰু বসন্ত পঞ্চমী তিনিটাকৈ পৱিত্ৰ স্নানৰ পাছতো দৰ্শনাৰ্থীসকলৰ সমাগম হ্ৰাস পোৱা নাই। ১৩ জানুৱাৰীত আৰম্ভ হোৱা মহাকুম্ভ মেলা অহা ২৬ ফেব্ৰুৱাৰীলৈ চলিব।

ooooo

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে কালি মুখ্যমন্ত্ৰী পদৰ পৰা অব্যাহতি বিচাৰি পদত্যাগপত্ৰ দাখিল কৰে। শ্ৰীসিঙে ৰাজ্যপাল অজয় কুমাৰ ভল্লাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ অৰ্পণ কৰে। তেওঁৰ সৈতে ভাৰতীয় জনতা পাৰ্টি আৰু এন পি এফৰ ১৪ গৰাকী বিধায়ক আৰু প্ৰদেশ বিজেপিৰ অধ্যক্ষ এ সাৰদা তথা বিজেপি সাংসদ তথা বিজেপিৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰভাৰী সম্বিত পাত্ৰ আছিল।

পদত্যাগ পত্ৰত শ্ৰীসিঙে উল্লেখ কৰে যে মণিপুৰবাসীৰ সেৱা কৰিবলৈ পোৱাটো তেওঁৰ বাবে সন্মানৰ কথা। মণিপুৰৱাসীৰ হিতৰ বাবে ৰাজ্যখনত ৰূপায়ণ কৰা বিভিন্ন আঁচনি তথা বিকাশৰ বাবে তেওঁ কেন্দ্ৰীয় চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখযোগ্য যে, ৰাজ্যখনত অব্যাহত থকা ৰাজনৈতিক অস্থিৰতাৰ মাজতেই এন বীৰেণ সিঙে দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ নেতৃত্বৰ সৈতে বৈঠকত অংশলোৱাৰ পাছত কালি সাংসদ সম্বিত পাত্ৰৰ সৈতে ইম্ফলত উপস্থিত হৈছিল।

ইপিনে, কালি তেওঁ মিত্ৰজোঁটৰ বিধায়কসকলৰ এখন বৈঠকো আহ্বান কৰে। বৈঠকত আজি আৰম্ভ হ'বলগীয়া মণিপুৰ বিধানসভা অধিৰেশন আৰু বিৰোধী দল কংগ্ৰেছে চৰকাৰৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ দুদিনীয়া ছিংগাপুৰ ভ্ৰমণ আৰম্ভ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে বিনিয়োগকাৰীসকলক আমন্ত্ৰণ জনাবলৈ তেওঁ এই ভ্ৰমণ কৰিব। ইয়াৰ পূৰ্বে ড° শৰ্মাই গুৱাহাটীৰ লোকসেৱা ভৱনত সন্মিলনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ এখন উচ্চস্তৰীয় বৈঠকত ভাগ লয়।

উল্লেখযোগ্য যে, এই বিনিয়োগ আৰু আন্তগাঁথনি সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ উপৰি বিভিন্ন উদ্যোগপতি আৰু প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকিব।

০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ৰে'ল বিভাগে অতি শীঘ্ৰেই ৯৫ হাজাৰ খালী পদ পূৰণ কৰিব। কালি বিহাৰৰ বেটিয়া জংচনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে শেহতীয়াকৈ অনুষ্ঠিত ১ লাখ ৫ হাজাৰ পদবীৰ লগতে এই ৯৫ হাজাৰ অতিৰিক্ত পদৰ বাবে ৰে'লৱেয়ে নিযুক্তি দিব। শ্ৰীবৈষ্ণৱে কয়, যে নমো আৰু বন্দে ভাৰত ৰে'লৰ প্ৰতি সঁহাৰি জনাই ৰে'লৱেই নিজৰ উৎপাদন বৃদ্ধিৰ বাবে সিদ্ধান্ত লৈছে। ৰে'লমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে তেওঁৰ মন্ত্ৰ্যালয়ে বিহাৰত বৃহৎ চৰকাৰী পক্ষৰ পৰা টিকট বিনিয়োগৰ সিদ্ধান্ত লৈছে। বিহাৰত ৯৫ হাজাৰ কোটিতকৈও অধিক টকাৰ বিনিয়োগ চলি আছে আৰু ইয়াৰ দ্বাৰা বিহাৰৰ ৰে'লপথ সম্পূৰ্ণৰূপে ৰূপান্তৰিত কৰা হ'ব বুলিও ৰে'লমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি গোড়খপুৰৰ ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি গোড়খপুৰ জংচনৰ নতুন প্ৰকল্পটো পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীক ৰে'ল বিভাগৰ শীৰ্ষ বিষয়াসকলে প্ৰস্তাৱিত ম'ডেল ষ্টেচনটোৰ সবিশেষ অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পাছত জনসাধাৰণে ষ্টেচনটোৰ জৰিয়তে কেনেধৰণেৰে উপকৃত হ'ব সেই লৈয়ো মন্তব্য কৰে। প্ৰকল্পটো পৰ্যবেক্ষণ কৰাৰ অন্তত তেওঁ কয়, যে যথেষ্ট ক্ষিপ্ৰতাৰে ষ্টেচনটোৰ কাম-কাজ আগবাঢ়িছে আৰু সময়মতে প্ৰকল্প সম্পূৰ্ণ হ'ব। গোড়খপুৰৰ সংস্কৃতি আৰু ঐতিহ্য স্মৃতি ধৰি ৰাখিব পৰাকৈ ষ্টেচনটোৰ নক্সা প্ৰস্তুত কৰা হৈছে।

০০০০০

১৫ সংখ্যক এৰো ইণ্ডিয়া সংস্কৰণৰ পূৰ্বে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে এই কাৰ্যসূচীয়ে চৰকাৰৰ আত্মনিৰ্ভৰ আৰু শক্তিশালী ভাৰত গঠনৰ লক্ষ্যক আগুৱাই নিব। কালি বাংগালুৰুত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীসিঙে কয়, যে নতুন ভাৰতৰ শক্তি, স্থিতি স্থাপকতা আৰু আত্ম নিৰ্ভৰতা প্ৰদৰ্শন কৰাৰ বাবে এৰো এণ্ডিয়া হৈছে উপযুক্ত মঞ্চ। এয়া কেৱল ভাৰতৰ প্ৰতিৰক্ষা প্ৰস্তুতিয়ে নহয়, বৰং ই দেশৰ ভৱিষ্যৎ নিৰ্মাণৰ ক্ষেত্ৰতো এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ উল্লেখ কৰে। ১৫ সংখ্যক এৰো ইণ্ডিয়া ২০২৫ৰ সংস্কৰণ কাইলৈৰ পৰা আৰম্ভ হ'ব।

০০০০০

ইংলেণ্ডৰ বিৰুদ্ধে অব্যাহত থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি কটকত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰত ৪ উইকেটত জয়ী হয়। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

ভাৰতে অধিনায়ক ৰোহিত শৰ্মাৰ শতক তথা শুভমন গিল, শ্ৰেয়ছ আয়াৰ আৰু অক্ষৰ পেটেলৰ দৰ্শনীয় বেটিঙৰ সহায়ত ৪৪ অভাৰ আৰু তিনিটা বলত আলহী দলটোৰে বান্ধি দিয়া ৩০৫ ৰানৰ বিজয়

লক্ষ্য অতিক্ৰম কৰে। ৰোহিত শৰ্মাই ৯০টা বলত ১১৯, শুভমন গিলে ৬০, শ্ৰেয়ছ আয়াৰে ৪৪ আৰু অক্ষৰ পেটেলে অপৰাজিত ৪১ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ গাছ এটকিনছনে সৰ্বাধিক দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰা ইংলেণ্ড দলটোৱে জ' ৰুটৰ ৬৯, বেন ডাকেটৰ ৬৫ আৰু লিয়াম লিভিংষ্টনৰ ৪১ ৰাণৰ বৰঙণিৰে ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱা ৩০৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক তিনিটা উইকেট দখল কৰে। ৰোহিক শৰ্মাক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

উল্লেখযোগ্য যে, এয়া হৈছে ইংলেণ্ডৰ বিৰুদ্ধে গৃহভূমিত ভাৰতৰ ক্ৰমাগত সপ্তমটো শৃংখলা জয়। চলিত শৃংখলাৰ প্ৰথম খেলখনত ভাৰতে দলটোক ৪ উইকেটত পৰাস্ত কৰিছিল। শৃংখলাৰ অন্তিম খেলখন অহা ১২ ফেব্ৰুৱাৰীত আহমেদাবাদত অনুষ্ঠিত হ'ব।

০০০০০

জাৰ্মানীত অনুষ্ঠিত ফ্ৰী ষ্টাইল ডবা গ্ৰেণ্ড শ্লেম টুৰত ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ ডি গুকেশ কোৱাৰ্টাৰ ফাইনেলৰ নিজৰ প্ৰথমখন খেলত বিশ্বৰ ৩ নম্বৰ ৰেংকিঙৰ ফেবিয়ানো কাৰুৱানাৰ হাতত পৰাস্ত হৈছে। এই প্ৰতিযোগিতাত এটাও জয়ৰ মুখ নেদেখা গুকেশৰ এয়া আছিল তৃতীয়টো পৰাজয়। অৱশ্যে প্ৰতিযোগিতাত গুকেশৰ বাবে এতিয়ালৈ সুযোগ সমাপ্ত হোৱা নাই। আজি কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় খেলখনত খেলুৱৈগৰাকী পুনৰ কাৰুৱানাৰ মুখামুখি হ'ব আৰু প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ হ'লে গুকেশ এই খেলখনত জয়ী হ'বই লাগিব।

ইয়াৰ পূৰ্বে বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ মেগনাছ কাৰ্লচেনৰ বিৰুদ্ধে পৰাজয় স্বত্বেও গুকেশে কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছিল।

০০০০০

**সমাপ্ত**